যি ব্যক্তিয়ে ছুবহানাল্লাহিল আজীম অবিহামদিহি পাঠ কৰিব, তাৰ বাবে জান্নাতত এজোপা খেজুৰ গছ ৰোপণ কৰা হ'ব।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ
"যি ব্যক্তিয়ে ছুবহানাল্লাহিল আজীম অবিহামদিহি পাঠ কৰিব, তাৰ বাবে জান্নাতত এজোপা খেজুৰ গছ ৰোপণ কৰা হ'ব।" [ছহীহ] [(তিৰমিজী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে এই দুআটো পাঠ কৰিবঃ ছুবহানাল্লাহিল আজীম অবিহামদিহি। ভাৱাৰ্থঃ হে আল্লাহ! তুমি সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ। তুমি সত্ত্বাগতভাৱে, গুণগতভাৱে আৰু কৰ্মৰ ক্ষেত্ৰতো অত্যন্ত মহান। পৰিপূৰ্ণ তথা পূৰ্ণাংগ প্ৰশংসা একমাত্ৰ তোমাৰেই। সেই ব্যক্তিৰ বাবে জান্নাতৰ ভূমিত খেজুৰ গছ ৰোপণ কৰা হয়। যিমান বাৰ পাঠ কৰিব সিমানজোপা বৃক্ষ ৰোপণ কৰা হ'ব।

http://sunnah.global/hadeeth/as/show/4201